অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
Ref : AJB/MD/57/19

তাৰিখ :
Date : ২০-০৮-১৯

# Mahapurush Divas at Assam Jatiya Bidyalay

**Guwahati, 20 August, 2019 :** Mahapurush Divas was observed today on the premises of Assam Jatiya Bidyalay with religious fervour on the occasion of the 'Tirobhav Tithi' of Sri Sri Madhavdev. The programme started with the offering of 'Mah-Prasad' and the lighting of an earthen lamp in front of the altar. The significance of observing the day was conveyed to the audience by Jharana Bharali, a student of class XII where the Assamese polymath Srimanta Sankardeva and his successor, an inportant preceptor of Ekasarana Dharma, Sri Sri Madhavdeva were eternalized. It was followed by a 'Borgeet' performed by some of the students of the school. On this occasion a wall-magazine named 'Kakotar Topola' having a colourful collage of posts by students on the work and life of the two great souls was exhibited which was uncovered by Rector Ranjit Narayan Deka. An excellent Sattriya dance piece featuring 'Kamal Geet' performed afterwards by Dolly Rajbongshi and Rimlee Choudhury, students of class IX which was directed by Khagen Kalita, Sattriya Dance teacher of the school. Senior teacher Jayanta Deka delivered an invaluable speech where he elaborated on the work of the two great saints and their creation of the performing art. He also commemorates the two literary work 'Kirtonghosa' and 'Naamghosa'. The distribution of prizes of the Essay Competition, held on the occasion, was the next proprammе which was conducted by Bhaskar Jyoti Haloi, teacher, department of Assamese. In Group A first, second and third prizes were won by Nishita Borgohain, Bedanta Sarma and Pragya Bijay Laskar respectively. In Group B, Geetarthi Bora and Abhishruti Sharma bagged the second and the third prize respectively, the first prize being undecided. Raktim Abhinandan Barman was awarded the consolation prize. In Group C Chandrika Kalita and Pooja Bora were awarded the first and the second prize respectively. Kuldeep Bhattacharya and Bishnurat Bora jointly got the third prize in this group. After this teacher Nabaneeta Kalita performed a 'Lokageet'. Before the programme came to an end with the offering of the vote of thanks by Aparajita Bora, Vice Principal of the school, some of the teachers and other staff of the school performed 'Naam-Prasanga'. The convenor of the programme was Palash Kumar Nath and the whole programme was anchored by Akangsha Sharma, a student of class XI.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati-781020

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০

Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/মদি/৫৭/১৯ তাৰিখ : ২০-০৮-১৯
*Ref :* *Date :*

## অসম জাতীয় বিদ্যালয়ত মহাপুৰুষ দিৱস উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ২০ আগষ্ট, ২০১৯** : গুৱাহাটীৰ নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ত ২০ আগষ্ট তাৰিখে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথি উপলক্ষে 'মহাপুৰুষ দিৱস' অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী ঝৰণা ভৰালীয়ে। তাৰ পিছতে বিদ্যালয়ৰ সংগীত বিভাগৰ শিক্ষয়িত্ৰী বৰ্ণালী দাসৰ পৰিচালনাত মহাপুৰুষ মাধৱদেৱ বিৰচিত এটি বৰগীত দলীয়ভাৱে পৰিৱেশন কৰে বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে। মহাপুৰুষ দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে প্ৰস্তুত কৰি উলিওৱা 'কাকতৰ টোপোলা' শীৰ্ষক প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই। বিদ্যালয়ৰ শিক্ষক খগেন কলিতাৰ পৰিচালনাত একাংশ শিক্ষাৰ্থীয়ে সত্ৰীয়া নৃত্য পৰিৱেশন কৰে। মহাপুৰুষ দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠানত ভাষণ প্ৰদান কৰে বিদ্যালয়ৰ ইংৰাজী বিভাগৰ শিক্ষক জয়ন্ত ডেকাই। ভাষণ প্ৰসংগত তেওঁ বিদ্যালয়ত মহাপুৰুষ দিৱস উদ্‌যাপনৰ গুৰুত্ব আৰু অসমীয়া সমাজ-সংস্কৃতিলৈ মহাপুৰুষ কেইজনাৰ অৱদান সম্পৰ্কে আলোকপাত কৰে। উল্লেখযোগ্য যে মহাপুৰুষ দিৱস উপলক্ষে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত শিক্ষাৰ্থীসকলক এই অনুষ্ঠানতে পুৰস্কৃত কৰা হয়। অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষয়িত্ৰী নৱনীতা কলিতাই লোকগীত পৰিৱেশন কৰে। ইয়াৰ পিছতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে পৰিৱেশন কৰা সমূহীয়া নাম-প্ৰসংগই সকলোকে আপ্লুত কৰে। সমগ্ৰ অনুষ্ঠানটিৰ আহ্বায়কৰ দায়িত্বত থাকে অসমীয়া বিভাগৰ শিক্ষক পলাশ নাথ আৰু অনুষ্ঠানটিৰ আঁত ধৰে একাদশ শ্ৰেণীৰ শিক্ষাৰ্থী আকাংক্ষা শৰ্মাই।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০